**<u>ভাৰতৰ তাম্ৰ-প্ৰস্তৰ যুগৰ সংস্কৃতিৰ মুখ্য বৈশিষ্ট্যসমূহ:</u>**

তাম্ৰ-প্ৰস্তৰ যুগ (Chalcolithic Age) মানৱ সভ্যতাৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়। 'Chalcolithic' শব্দটো গ্ৰীক ভাষাৰ Chalkos (তাম) আৰু Lithos (শিল) শব্দৰ পৰা উদ্ভৱ হৈছে। এই যুগত মানুহে শিলৰ সঁজুলিৰ লগতে তামৰ সঁজুলিও ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ভাৰতত তাম্ৰ-প্ৰস্তৰ সংস্কৃতি মূলতঃ খ্ৰীষ্টপূৰ্ব দ্বিতীয় সহস্ৰাব্দত বিভিন্ন অঞ্চলত বিকাশ লাভ কৰিছিল। এই যুগে নৱপ্ৰস্তৰ যুগৰ পৰা অধিক উন্নত সমাজ-ব্যৱস্থাৰ সূচনা কৰে।

তাম্ৰ-প্ৰস্তৰ যুগৰ মুখ্য বৈশিষ্ট্যসমূহ:

১। তাম আৰু শিলৰ সঁজুলিৰ ব্যৱহাৰ :এই যুগৰ প্ৰধান বৈশিষ্ট্য আছিল তাম আৰু শিল—উভয়বিধ সঁজুলিৰ ব্যৱহাৰ। কুঠাৰ, বটি, ছুৰী, আদি তামৰ সঁজুলিৰ লগতে শিলৰ সঁজুলিও ব্যৱহাৰ কৰা হৈছিল।

২। কৃষি অৰ্থনীতিৰ বিকাশ: কৃষিয়েই এই যুগৰ মানুহৰ মুখ্য জীৱিকা আছিল। গম, যৱ, ধান, বাজৰা, দাইল আদি শস্যৰ খেতি কৰা হৈছিল। কৃষিৰ ফলত খাদ্য উৎপাদন বৃদ্ধি পায় আৰু অধিক শস্য উৎপন্ন হ'বলৈ ধৰে।

৩। পশুপালন: গৰু, ছাগলী,  আদি গৃহপালিত পশু পালন কৰা হৈছিল। পশুপালনে কৃষিকাৰ্য, খাদ্য আৰু অন্যান্য প্ৰয়োজন পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

৪। স্থায়ী গাঁও জীৱন: তাম্ৰ-প্ৰস্তৰ যুগৰ মানুহে স্থায়ী গাঁও স্থাপন কৰি বাস কৰিছিল। ঘৰবোৰ সাধাৰণতে মাটি, কাঠ, বাঁহ আৰু শিলৰ সহায়ত নিৰ্মাণ কৰা হৈছিল।

৫। মৃৎশিল্পৰ উন্নতি: এই যুগত উৎকৃষ্ট মানৰ মাটিৰ পাত্ৰ নিৰ্মাণ কৰা হৈছিল। কিছুমান পাত্ৰ লাল ৰঙৰ ওপৰত ক'লা ৰঙৰ নক্সাৰে সজোৱা আছিল। মৃৎশিল্প যথেষ্ট উন্নত অৱস্থাত উপনীত হৈছিল।

৬। কাৰুশিল্প আৰু ধাতুশিল্প :তামৰ সঁজুলি, অলংকাৰ, মণি, শংখৰ বস্তু আদি নিৰ্মাণ কৰা হৈছিল। ইয়াৰ ফলত বিশেষজ্ঞ কাৰিকৰৰ সৃষ্টি হৈছিল।

৭। বাণিজ্য আৰু বিনিময় ব্যৱস্থা: বস্তুৰ সলনি বস্তু বিনিময় (Barter System) প্ৰচলিত আছিল। বিভিন্ন অঞ্চলৰ মাজত তাম, মণি, মৃৎপাত্ৰ আৰু কৃষিজাত সামগ্ৰীৰ আদান-প্ৰদান চলিছিল।

৮। সামাজিক সংগঠন: গাঁওভিত্তিক সমাজ গঢ় লৈ উঠিছিল। কৃষক, পশুপালক, মৃৎশিল্পী, ধাতুশিল্পী আদি বিভিন্ন পেছাৰ লোকৰ মাজত শ্ৰম বিভাজন গঢ়ি উঠিছিল।

৯। ধৰ্মীয় বিশ্বাস: মাতৃদেৱী, উৰ্বৰতাৰ শক্তি আৰু প্ৰকৃতিৰ পূজাৰ প্ৰচলন আছিল। মৃতদেহ সমাধিস্থ কৰাৰ ৰীতিও এই যুগত প্ৰচলিত আছিল।

১০। প্ৰধান তাম্ৰ-প্ৰস্তৰ সংস্কৃতি: ভাৰতৰ উল্লেখযোগ্য তাম্ৰ-প্ৰস্তৰ সংস্কৃতিসমূহ হ'ল—

আহাৰ সংস্কৃতি (ৰাজস্থান)

কায়থা সংস্কৃতি (মধ্যপ্ৰদেশ)

মালৱা সংস্কৃতি

জোৰৱে সংস্কৃতি (মহাৰাষ্ট্ৰ)

ইনামগাঁও

নৱদাটোলি

তাম্ৰ-প্ৰস্তৰ যুগ ভাৰতৰ প্ৰাগৈতিহাসিক যুগৰ এক উল্লেখযোগ্য পৰ্যায়। এই যুগত কৃষি, পশুপালন, ধাতুশিল্প, মৃৎশিল্প, বাণিজ্য আৰু গাঁওভিত্তিক সমাজ-ব্যৱস্থাৰ যথেষ্ট বিকাশ হৈছিল। এই যুগৰ অৰ্থনৈতিক আৰু সামাজিক অগ্ৰগতিয়ে পৰৱৰ্তী লৌহ যুগ আৰু ঐতিহাসিক সভ্যতাৰ বিকাশৰ ভেটি স্থাপন কৰিছিল।